পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 493 দিশপুৰ, বুধবাৰ, 9 জুলাই, 2025, 18 আহাৰ, 1947 (শক)

No. 493 Dispur, Wednesday, 9th July, 2025, 18th Ashadha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 5th July, 2025

**No. LGL.58/2020/87.–** The following Ordinance of the Assam Legislative Assembly which was assented by the Governor of Assam on 4th July, 2025 is hereby published for general information.

## ASSAM ORDINANCE NO. IV OF 2025

## THE MORAN AUTONOMOUS COUNCIL (AMENDMENT) ORDINANCE, 2025

# AN

# ORDINANCE

further to amend the Moran Autonomous Council, Act, 2020.

Preamble

Whereas the Legislative Assembly of the State of Assam is not in session and the Governor of Assam is satisfied that circumstances exist which render it necessary for him to take immediate action for amending the Moran Autonomous Council Act, 2020, hereinafter referred to as the principal Act, in the manner hereinafter appearing; Assam Act No. XXVI of 2020

Now, therefore, in exercise of the powers conferred under clause (1) of Article 213 of the Constitution of India, the Governor of Assam is pleased to promulgate in the Seventy-sixth Year of the Republic of India, the following Ordinance, namely:-

Short title, extent and commencement

1. (1) This Act may be called the Moran Autonomous Council (Amendment) Ordinance, 2025.

(2) It shall have the like extent as in the principal Act.

(3) It shall come into force at once.

Amendment of Preamble

2. In the principal Act, for the Preamble, the following shall be substituted, namely:-

"Whereas it is expedient to provide for the establishment of a Moran Autonomous Council within the State of Assam and within the framework of the Constitution of India, comprising of the Moran community people for social, economic, educational, ethnic and cultural advancement of the Moran community residing therein without affecting the rights of the other categories of citizens or people or communities residing within the notified area of the Council ;"

Amendment of section 2

3. In the principal Act, in section 2,

(i) for clause (o), the following shall be substituted, namely:-

"(o) "Council Areas" means the area or areas consisting of villages with population therein belonging to the Moran community only as notified by the State Government as Council Areas under this Act subject to the condition that only the Moran population of the said areas shall be included in the Council;"

(ii) for clause (p), the following shall be substituted, namely:-

"(p) "Village" means a census village not falling within any notified urban or town area inhabited mostly by the Moran community as notified by the State Government as village under this Act."

Amendment of section 3

4. In the principal Act, in section 3, for sub-section (1), the following shall be substituted, namely:-

"(1) There shall be an Autonomous Council called the Moran Autonomous Council within the state of Assam comprising of the areas of Moran community inhabited Villages as may be notified by the Government in the Official Gazette."

Amendment of section 5

5. In the principal Act, in section 5, for sub-section (1), the following shall be substituted, namely:-

"(1) The General Council shall consist of 30 (thirty) elected members out of which 5 (five) seats shall be reserved for women of the Moran community."

Amendment of section 30

6. In the principal Act, in section 30, for sub-section (1), the following shall be substituted, namely:-

"(1) There shall be 30 (thirty) constituencies in the Council Area for electing members to the General Council. Each Constituency shall be a single member constituency."

Amendment of section 32

7. In the principal Act, in section 32, for sub-section (1), the following shall be substituted, namely:-

"(1) Subject to the provisions of this Act and the rules made thereunder, the Electoral Roll of a General Council constituency, as defined in clause (c) of section 2, shall comprise of those voters belonging to the Moran community whose names are in the Electoral Roll for the Assembly Constituency in force on the last date of nomination."

**SHRI LAKSHMAN PRASAD ACHARYA,**
GOVERNOR OF ASSAM.

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department.

## ২০২৫ চনৰ অসম অধ্যাদেশ নং ৪

**(২০২৫ চনৰ ৪ জুলাই তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)**

# মৰাণ স্বায়ত্তশাসিত পৰিষদ (সংশোধন) অধ্যাদেশ, ২০২৫

**অধ্যাদেশ**

**৫ জুলাই, ২০২৫**

মৰাণ স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ২০২০ ক পৰৱৰ্তী সংশোধন কৰিবলৈ

প্ৰস্তাৱনা

যিহেতু অসম ৰাজ্যৰ বিধানসভাৰ অধিৱেশন চলি থকা নাই আৰু অসমৰ ৰাজ্যপাল সন্তুষ্ট হয় যে এনে পৰিস্থিতিৰ উদ্ভৱ হৈছে যিটোৱে ইয়াৰ পিছত মূল অধিনিয়ম হিচাপে প্ৰসংগ নিৰ্দেশিত, মৰাণ স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ২০২০ ক ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে, সংশোধন কৰিবলৈ তাৎক্ষণিক কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰাতো তেখেতৰ বাবে আৱশ্যক হৈ পৰিছে; ২০২০ চনৰ অসম অধিনিয়ম নং XXVI

এতিয়া, সেয়েহে, ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ২১৩ ৰ খণ্ড (১) ৰ অধীনত প্ৰদান কৰা ক্ষমতাৱলী প্ৰয়োগ কৰি, অসমৰ ৰাজ্যপালগৰাকীয়ে ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত নিম্নলিখিত অধ্যাদেশখন জাৰি কৰিছে, যথা :–

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (১) এই অধিনিয়মখন মৰাণ স্বায়ত্তশাসিত পৰিষদ (সংশোধন) অধ্যাদেশ, ২০২৫ বুলি অভিহিত হ'ব ।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মখনৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব ।

প্ৰস্তাৱনাৰ সংশোধন

২। মূল অধিনিয়মখনত প্ৰস্তাৱনাৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:–

"যিহেতু পৰিষদৰ অধিসূচিত এলেকাৰ ভিতৰৰ অন্য শ্ৰেণীৰ নাগৰিক বা লোক বা সম্প্ৰদায়ৰ অধিকাৰ সমূহ প্ৰভাৱিত নকৰাকৈ তাত বাস কৰা মৰাণ সম্প্ৰদায়ৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, নৃ-গোষ্ঠীয় আৰু সাংস্কৃতিক বিকাশ সাধনৰ বাবে অসম ৰাজ্যৰ আৰু ভাৰতৰ সংবিধানৰ ৰূপৰেখাৰ ভিতৰত, মৰাণ সম্প্ৰদায়ৰ লোকেৰে গঠিত এখন মৰাণ স্বায়ত্তশাসিত পৰিষদ স্থাপন কৰিবলৈ উপবন্ধিত কৰাটো কালোচিত ; "

ধাৰা ২ৰ সংশোধন

৩। মূল অধিনিয়মত, ধাৰা ২, ত

(i) খণ্ড (ণ) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(ণ) "পৰিষদ এলেকা" মানে কেৱল মৰাণ সম্প্ৰদায়ৰ অন্তৰ্গত জনবসতি গাঁৱেৰে গঠিত এলেকা বা এলেকাসমূহ যি এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰে পৰিষদ এলেকা হিচাপে অধিসূচিত কৰে, এইটো চৰ্ত সাপেক্ষে যে উক্ত এলেকা সমূহৰ কেৱল মৰাণ জনবসতিকহে পৰিষদখনত অন্তৰ্ভুক্ত কৰা হ'ব ;"

(ii) খণ্ড (ত) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(ত) "গাঁও" মানে এই অধিনিয়মৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা অধিসূচিত মৰাণ সম্প্ৰদায়ে বসবাস কৰা কোনো অধিসূচিত নগৰ বা চহৰৰ এলেকাৰ ভিতৰত নপৰা এখন লোকপিয়ল গাঁও ;"

ধাৰা ৩ ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ৩ ত, উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(১) অসম ৰাজ্যত মৰাণ স্বায়ত্তশাসিত পৰিষদ নামেৰে চৰকাৰে চৰকাৰী ৰাজপত্ৰত যথা অধিসূচিত মৰাণ সম্প্ৰদায়ৰ বসতিপ্ৰধান এলেকাৰে গঠিত এখন স্বায়ত্তশাসিত পৰিষদ থাকিব।"

ধাৰা ৫ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ৫ ত, উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(১) সাধাৰণ পৰিষদ ৩০ (ত্ৰিশ) গৰাকী নিৰ্বাচিত সদস্যৰে গঠিত হ'ব যাৰ ভিতৰত ৫ (পাঁচ) খন আসন মৰাণ সম্প্ৰদায়ৰ মহিলাসকলৰ বাবে সংৰক্ষিত থাকিব ।"

ধাৰা ৩০ৰ সংশোধন

৬। মূল অধিনিয়মত, ধাৰা ৩০ ত, উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(১) সাধাৰণ পৰিষদলৈ সদস্য নিৰ্বাচনৰ বাবে পৰিষদ এলেকাত ৩০ (ত্ৰিশ) টা সমষ্টি থাকিব । প্ৰত্যেক সমষ্টি একক সদস্য সমষ্টি হ'ব ।"

ধাৰা ৩২ৰ সংশোধন

৭। মূল অধিনিয়মত, ধাৰা ৩২ ত, উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা :–

"(১) এই অধিনিয়মৰ উপবন্ধাৱলী আৰু তাৰ অধীনৰ নিয়মাৱলীৰ সাপেক্ষে, ধাৰা ২ ৰ খণ্ড (গ) ত যথা পৰিভাষিত, এক সাধাৰণ পৰিষদ সমষ্টিৰ নিৰ্বাচক নামাৱলীয়ে মৰাণ সম্প্ৰদায়ৰ সেই ভোটাৰসকলক অন্তৰ্ভুক্ত কৰিব যাৰ নামসমূহ বিধানসভা সমষ্টিৰ নিৰ্বাচক নামাৱলীত মনোনয়নৰ অন্তিম তাৰিখত সন্নিৱিষ্ট থাকে ;"

**লক্ষ্মণ প্ৰসাদ আচাৰ্য,**
ৰাজ্যপাল, অসম চৰকাৰ।

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ,
বিধান বিভাগ, দিছপুৰ, গুৱাহাটী-৬

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 985 - 10 + 50 - 09 - 07 - 2025. (visit at– dpns.assam.gov.in)